# 2015

# ASSAMESE

## ( Major )

Paper : 5.1

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৭=৭

(ক) 'পৰশুইৰ কথা কোৱা কালিৰ ছৱাল'—কোন?

(খ) 'চৰিত পুথি' মতে কোনে 'ৰামযাত্ৰা' আৰু 'গোৱৰ্দ্ধন-যাত্ৰা' নাট দুখন ৰচনা কৰি অভিনয় কৰিছিল?

(গ) শিশুপাল কোন দেশৰ ৰজা আছিল?

(ঘ) জৰাসন্ধ কাৰ পুত্ৰ?

(ঙ) "ওহি ভল্ল ভাট। উনিকৰ মন পুৰিয়ে বহুবিধ পৰসাদ দেহ।" ভাটজন কোন আছিল?

(চ) "আহে সখি তোহো অৰ্জুন স্বামীক লাগি আশা দূৰ কৰহ।" কথাষাৰ কোনে কৈছিল?

(ছ) নাটৰ গাম্ভীৰ্য বঢ়াবলৈ গোপালদেৱে 'জন্মযাত্ৰা' নাটত কাৰ গীত সন্নিৱিষ্ট কৰিছিল?

২। *এটা* বা *দুটা* বাক্যত উত্তৰ লিখাঁ : ২×৪=৮

(ক) ‘‘ওহি মনুষ্য বালক নহি, প্ৰভাৱ দেখিয়ে হামু জানল, ওহি জগত কাৰণ নাৰায়ণ।’’ এই বুলি কোনে, কাক কৈছিল?

(খ) ‘‘তুহু কৃষ্ণক নিমিত্ত কিছু চিন্তা কৰবি নাহি। যে শ্ৰীকৃষ্ণ একেশ্বৰে ত্ৰৈলোক্যক জিনিতে পাৰে, তাহাক আগু ৰাজাসৱ কোন বস্তু থিক।’’ কথাষাৰ কোনে, কাক উদ্দেশ্যি কৈছিল?

(গ) ‘অজসুৰ’ আৰু ‘অব্জ’ শব্দৰ অৰ্থ কি?

(ঘ) ব্ৰহ্মাই ‘‘তোৰা সৱ নন্দ-যশোদা ৰূপে গোকুলে জনম ধৰহ।’’ বুলি কাক কৈছিল?

৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো **তিনিছোৱাঁ**) : ৫×৩=১৫

(ক) কঙ্কণ হাৰ কুণ্ডল গণ্ড লোলে।
চৰণ মাঝে মণি মঞ্জিৰ ৰোলে॥
মনোহৰ খোম বসন পৰিধানে।
কম্পয় কুছযুগ ৰজ্জু সন্ধানে॥

(খ) হৰষে নাচত হৰ যাকেৰি আগ।
গৰুড়ক পেখি পলাৱত নাগ॥
খসল বাৰম্বাৰ বসন উজাৰ।
সোহি কৰতু নিত্য মুকুতি তোমাৰ॥

(গ) হে প্ৰভু, তোহো পৰম-পুৰুষ-পুৰুষোত্তম দেৱকু পৰম দেৱতা। আপুনি সৰ্বজ্ঞ; হামো তোহাৰি মায়ায়ে মোহিত হুয়া জ্ঞান ভঙ্গ কয়লো।





(ঘ) হে পৰমেশ্বৰ তোহো মোক্ষৰ সাধন, সনাতন সৰ্ব্ব অন্তৰ্য্যামী, সংসাৰ মোক্ষৰ কাৰণ, মহাজ্ঞানীগণে ইহাক জানয়। মূৰ্খসৱে তোমাৰ ভেদ মানয়। সন্তৰ ৰক্ষাৰ হেতু, তোমাৰ অৱতাৰ, দুৰ্জনক বিনাশি ভূমিক ভাৰ হৰব।

(ঙ) মৃদঙ্গ দুন্দুভি তাল-কৰতাল
শৱদে বহুবিধ ৰোল।
চৌভিতি জয়জয় মিলল মহোৎসৱ
দীন গোপাল বোল।

৪। যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ কৰিবাঁ : ১০×৩=৩০

(ক) অংকীয়া নাটৰ গঠন-ৰীতি আৰু অভিনয়ৰ লগত সংস্কৃত নাটৰ সম্পৰ্ক—শীৰ্ষক এটি প্ৰবন্ধ যুগুত কৰাঁ। ৫+৫=১০

(খ) মাধৱদেৱৰ ‘অৰ্জুন ভঞ্জন’ নাটত বাৎসল্য ৰসৰ জৰিয়তে কিদৰে ভক্তিৰ মাহাত্ম্য প্ৰকাশ পাইছে, উদ্ধৃতিসহ আলোচনা কৰাঁ। ১০

(গ) ‘‘গৌড়ীয় বৈষ্ণৱ আলংকাৰিকসকলে ভক্তিপ্ৰধান নাটসমূহৰ ৰস বিচাৰ বিশেষ কৌশলেৰে নিষ্পন্ন কৰিছে।’’ এই উক্তিৰ আধাৰত ‘ৰুক্মিণী হৰণ’ নাটৰ ৰস সম্পৰ্কে এটি আলোচনা কৰাঁ। ১০

(ঘ) শ্ৰীৰাম আতাৰ ‘সুভদ্ৰা হৰণ’ নাটৰ কাহিনীবিকাশ আৰু চৰিত্ৰ-চিত্ৰণত শংকৰদেৱৰ ‘ৰুক্মিণী হৰণ’ নাটৰ প্ৰভাৱ কেনেদৰে পৰিছে, উদাহৰণেৰে সৈতে ফঁহিয়াই দেখুওৱাঁ। ৫+৫=১০

(ঙ) ভৱানীপুৰীয়া গোপাল আতাৰ 'জন্মযাত্ৰা' নাটৰ মূল কি? নাটকীয় কলাকৌশল আৰু উপস্থাপন ৰীতিত নাট্যকাৰৰ মৌলিকতা কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

(চ) শংকৰ-মাধৱৰ পৰৱৰ্তী কালত অংকীয়া নাট ৰচনাত নাট্যকাৰসকল সফল হ'ব নোৱৰাৰ কাৰণসমূহ ব্যাখ্যা কৰা। ১০

(ছ) অংকীয়া নাট সৃষ্টিত মধ্যযুগৰ কি কি ভাৰতীয় লোক-নাট্যানুষ্ঠানৰ প্ৰভাৱ পৰিছে, খৰচি মাৰি আলোচনা কৰা। ১০

★★★

# 2 0 1 5

## ASSAMESE

## ( Major )

Paper : 5.2

( পুৰণি অসমীয়া কথাসাহিত্য )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৫=৫

(ক) 'অসমীয়া কথাসাহিত্য' নামৰ গ্ৰন্থৰ লেখক কোন?

(খ) 'চেড়ী' শব্দৰ অৰ্থ কি?

(গ) 'গুৰু-সেৱা-মাহাত্ম্য'ত প্ৰথম গুৰু বুলি কাক কোৱা হৈছে?

(ঘ) বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য নামৰ লেখকজন কি নামেৰে অধিক প্ৰসিদ্ধ?

(ঙ) নাথান ব্ৰাউনৰ পত্ৰখন ক'ত প্ৰকাশ হৈছিল?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) 'কথাগীতা'ৰ ছপাৰূপ প্ৰথম কোন খ্ৰীঃত ওলাইছিল? গ্ৰন্থখন কোনে সম্পাদনা কৰিছিল?

(খ) কোনে, কি গ্ৰন্থৰ অভিপ্ৰায় ক'বৰ বাবে মূল 'ভক্তি ৰত্নাকৰ' ৰচনা কৰিছিল?

(গ) ত্ৰিপুৰাত মদন পূজাৰ অধিবাস কি মাহৰ, কি তিথিত অনুষ্ঠিত হৈছিল? এই পূজা কেইদিনীয়াকৈ পতা হৈছিল?

(ঘ) ব্ৰাউন চাহাবৰ পত্ৰৰ আৰম্ভতে উল্লেখ থকা দেশী খ্ৰীষ্টান লোক দুজনৰ নাম লিখা।

(ঙ) বুৰঞ্জীৰ গদ্যৰ যি কোনো দুটা প্ৰধান বিশেষত্ব উল্লেখ কৰা।

৩। উত্তৰ দিয়া : ৫×৩=১৫

(ক) "যদ্যপি আৰা লোভত থাকি কুলক্ষয় দোষ মিত্ৰদ্ৰোহ পাপকো নেদেখে, তথাপি আমি সেই দোষ দেখি, কেনে পাপত নিবৃত্তি নহৈবো।" ইয়াত বক্তাগৰাকীয়ে কাক উদ্দেশ্য কৰি কথাষাৰ কৈছে? তেওঁ কুলক্ষয় দোষৰ বিষয়ে কি কি কৈছে, লিখা।

*নাইবা*

"এই ছয় দোষে আৰাসবে আততায়ী, অস্ত্ৰশাস্ত্ৰৰ মতে আততায়ীক বধিলেয়ো দোষ নাই, তথাপি ধৰ্মশাস্ত্ৰক অপেক্ষায়ে আৰাক বধিলে আমাক দোষে পাইব।" কথাষাৰত বক্তাজনে কাৰ, কি কি ছয় দোষৰ কথা কৈছে? ইয়াত অস্ত্ৰশাস্ত্ৰ আৰু ধৰ্মশাস্ত্ৰৰ মাজৰ সংঘাত কেনেদৰে প্ৰকাশ পাইছে?





(খ) স্থিতপ্ৰজ্ঞৰ লক্ষণসমূহ লিখা।

*নাইবা*

কৃষ্ণই অৰ্জুনক স্বজনৰ বিৰুদ্ধে যুদ্ধ কৰিবলগা বাবে কিয় দুখ কৰিব নালাগে বুলি কৈছে, চমুকৈ লিখা।

(গ) তলৰ যি কোনো এটা বিষয় লৈ এটি চমু টোকা প্ৰস্তুত কৰা :

মিছনেৰী গদ্য ; 'কথা-ৰামায়ণ'ৰ লক্ষ্মণ চৰিত্ৰ ; 'শ্ৰীকৃষ্ণৰ পূৰ্বৰাগ' অংশৰ আধাৰত শ্ৰীকৃষ্ণ চৰিত্ৰ ; নাথান ব্ৰাউন।

৪। (ক) অংকীয়া নাটৰ গদ্যৰ বৈশিষ্ট্যসমূহ লিখি অসমীয়া গদ্য-সাহিত্যৰ বিকাশত অংকীয়া নাটৰ গদ্যৰ স্থান নিৰূপণ কৰা। ১০

*নাইবা*

'গুৰু-সেৱা-মাহাত্ম্য' পাঠৰ আধাৰত গুৰুৰ সংজ্ঞা দি গুৰুৰ লক্ষণ আৰু গুৰু সেৱাৰ মহিমাৰ বিষয়ে লিখা। ১০

(খ) 'ৰামৰ বন গমন' পাঠত থকা নাৰী চৰিত্ৰকেইটা চমুকৈ আলোচনা কৰি পাঠটোৰ মাজেদি লেখকৰ নাৰী সম্পৰ্কীয় দৃষ্টিভংগী কেনেদৰে প্ৰকাশ পাইছে, লিখা। ১০

*নাইবা*

'ত্ৰিপুৰা বুৰঞ্জী'ৰ আধাৰত ত্ৰিপুৰাত হোৱা মদন পূজাৰ সময়ত ৰজাৰ সাজপাৰৰ এটি বিৱৰণ দিয়া। লগতে মদন পূজাৰ দিনকেইটাত হোৱা অনুষ্ঠান, শোভাযাত্ৰা আৰু আন কাৰ্যকলাপৰ বিষয়ে চমুকৈ লিখা। ১০

(গ) স্বৰ্গদেউ ৰুদ্ৰসিংহৰ চৰিত্ৰৰ বিভিন্ন দিশসমূহ আলচ কৰা। ১০

*নাইবা*

ব্ৰাউন চাহাবৰ পত্ৰখনৰ মাজেদি সেই সময়ৰ আমেৰিকাৰ পৰিস্থিতি, অসমৰ প্ৰতি পত্ৰলেখকৰ ভাল পোৱা আৰু ধৰ্ম সম্পৰ্কে লেখকৰ মনোভাৱ কেনেদৰে প্ৰকাশ হৈছে, বিশ্লেষণ কৰি দেখুওৱা। ১০

★★★

## 2015

## ASSAMESE

## ( Major )

Paper : 5.3

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখা : ১×৭=৭

(ক) বৈষ্ণৱ কবিসকলে শ্ৰীকৃষ্ণ বিষয়ক কাব্যৰচনাৰ বাবে কোনখন গ্ৰন্থক আধাৰ গ্ৰন্থ হিচাপে গ্ৰহণ কৰিছে?

(খ) ব্ৰজবুলি ভাষাক 'কনিষ্ঠতম সৰ্বভাৰতীয় সাধু আৰ্যভাষা' বুলি কোনগৰাকী পণ্ডিতে কৈছে?

(গ) 'কীৰ্তিলতা' আৰু 'কীৰ্তিপতাকা' গ্ৰন্থ দুখন বিদ্যাপতিয়ে কি ভাষাত ৰচনা কৰিছিল?

(ঘ) 'মৈথিল কোকিল' বুলি কোনজন কবিক কোৱা হয়?

(ঙ) অসমত ব্ৰজবুলি সাহিত্যৰ ইতিহাস কোন সময়ৰ পৰা আৰম্ভ হৈছে?

(চ) মন্দিৰ বাহিৰ কঠিন কবাট।
চলইতে শঙ্কিল পঙ্কিল বাট॥

কবিতাংশ কোনগৰাকী কবিৰ ৰচনা?

(ছ) মাধৱদেৱে ৰচনা কৰা বাৎসল্য ৰসৰ গীতসমূহক কোনগৰাকী হিন্দী কবিৰ গীতৰ সৈতে তুলনা কৰিব পাৰি?

২। উত্তৰ লিখা : ২×৪=৮

(ক) "অনুখন মাধৱ মাধৱ সুমৰাইত সুন্দৰি ভেলি মধাঈ।"

কবিতাংশ কোনগৰাকী কবিৰ ৰচনা? ইয়াত 'সুন্দৰি' বুলি কাৰ কথা কোৱা হৈছে?

(খ) মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰথম বৰগীতটি তেওঁ ক'ত আৰু কেতিয়া ৰচনা কৰিছিল?

(গ) উৰিষ্যাৰ বৈষ্ণৱ সাহিত্যৰ শ্ৰেষ্ঠ কবিগৰাকীৰ নাম কি? তেওঁ কোনজন ৰজাৰ ৰাজকৰ্মচাৰী ৰূপে বিদ্যানগৰত ৰাজশাসন চলাইছিল?

(ঘ) গোবিন্দদাস কোন ঠাইৰ কবি? শ্ৰীজীৱ গোস্বামীয়ে তেওঁক কি উপাধিৰে সন্মানিত কৰিছিল?

৩। ব্যাখ্যা কৰা (যি কোনো তিনিছোৱা) : ৫×৩=১৫

(ক) আজু মথুৰা পুৰি মিলব মহোৎসৱ
মাধৱ সাধব মান।
গোকুলক মঙ্গল দূৰ গয়ো নাহি
বাজত বেণু বিষাণ॥





(খ) জোহি নিজানন্দ সুখহি সম্পন্ন
সো হৰি মানুষ ভাৱত ৰি।
জশোৱাক তন পানহি সন্তোষ
দীন মাধৱে ৰস গাৱত ৰি॥

(গ) দামিনী দশ দিশ ধাব।
নিকৰুণ কান্ত না আব॥
সজনি কাহে কৰব দিন বঞ্চ।
জীবইতে ভেল অশঞ্চ॥

(ঘ) ভালহি সিন্দূৰ ভানু-কিৰণ জনু
তঁহি চাৰু-চন্দন-বিন্দু।
মুখ হেৰি লাজসে সায়ৰে লুকায়ল
দিনে দিনে খীণ ভৈল ইন্দু॥

(ঙ) ঘন ঘন ঝন ঝন বজৰ নিপাত।
শুনইতে শ্ৰবণ মৰম জৰি যাত॥

৪। (ক) ব্ৰজবুলি ভাষাৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে চমুকৈ আলোচনা কৰা। ১০

*অথবা*

বিদ্যাপতি কোন সময়ৰ কবি? তেওঁৰ কাব্যপ্ৰতিভা সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা। ২+৮=১০

(খ) 'ব্ৰজবুলি-গীতি-গুচ্ছ'ৰ অন্তৰ্গত 'মাথুৰ বিৰহ' শীৰ্ষক গীতসমূহত বিৰহৰ স্বৰূপ কেনেদৰে প্ৰকাশ পাইছে, উপযুক্ত উদাহৰণেৰে সৈতে আলোচনা কৰা। ১০

*অথবা*

অসমৰ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ গীতসমূহৰ সৈতে অন্যান্য বৈষ্ণৱ কবিসকলৰ গীতৰ সাদৃশ্য-বৈসাদৃশ্যসমূহ ফঁহিয়াই দেখুওৱা। ১০

(গ) মাধৱদেৱৰ ৰচনাত বাৎসল্যৰস সম্পৰ্কে 'চিৰন্তন মাতৃ'ৰ আধাৰত এটি আলোচনা আগবঢ়োৱা। ১০

*অথবা*

ব্ৰজবুলি সাহিত্যৰ অন্তৰ্গত নায়িকাৰ প্ৰকাৰভেদ উল্লেখ কৰি 'কলহান্তৰিতা নায়িকা' আৰু 'অভিসাৰিকা নায়িকা' সম্পৰ্কে উদ্ধৃতিসহ আলোচনা কৰা। ২+৪+৪=১০

★★★

# 2015

## ASSAMESE

## ( Major )

Paper : 5.4

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×৭=৭

(ক) পালি ভাষাত ৰচিত মূল বৌদ্ধশাস্ত্ৰখনৰ নাম লিখা।

(খ) প্ৰাকৃত গীতিকবিতা 'বজ্জালগ্‌গ'ৰ সংগ্ৰহকজনৰ নাম লিখা।

(গ) 'পালি' শব্দৰ প্ৰথম উল্লেখ পোৱা গ্ৰন্থখনৰ নাম কি?

(ঘ) প্ৰাকৃত ভাষাত ৰচিত প্ৰথম ব্যাকৰণখনৰ নাম লিখা।

(ঙ) 'হৰ্যচৰিত' গ্ৰন্থৰ ৰচকজনৰ নাম লিখা।

(চ) কোনখন গ্ৰন্থত প্ৰাকৃত ভাষাক সাহিত্যিক ভাষাৰূপে স্বতন্ত্ৰ মৰ্যাদা প্ৰদান কৰিছিল ?

(ছ) 'সন্দেশ ৰাসক' কাব্য কিমানটা গাথাৰ সমষ্টি, উল্লেখ কৰা।

২। চমুকৈ উত্তৰ লিখা : ২×৪=৮

(ক) প্ৰাকৃত ভাষাৰ বিভিন্ন স্তৰসমূহ কালানুসাৰে উল্লেখ কৰা।

(খ) 'ধম্মপদ' শব্দটোৰ বিষয়ে লিখা।

(গ) 'পালি' শব্দটোৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(ঘ) প্ৰাকৃত আৰু অৱহট্‌ঠ ভাষাৰ মাজত থকা পাৰ্থক্য দাঙি ধৰা।

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) ৰাজশেখৰৰ পৰিচয় দাঙি ধৰি সট্টক হিচাপে 'কৰ্পূৰ মঞ্জৰী'ৰ এটি বিশ্লেষণ আগবঢ়োৱা।

(খ) পালি সাহিত্যৰ সংক্ষিপ্ত পৰিচয় দাঙি ধৰা।

(গ) দূত কাব্যৰূপে 'সন্দেশ ৰাসক'ৰ আলোচনা দাঙি ধৰি কাব্যখনৰ কাব্যিক সৌন্দৰ্য বিশ্লেষণ কৰা।

(ঘ) সাহিত্যিক প্ৰাকৃত বুলিলে কি বুজা? শ্ৰেষ্ঠ প্ৰাকৃতৰূপে মহাৰাষ্ট্ৰী প্ৰাকৃতৰ বৈশিষ্ট্যসমূহ লিখা।





৪। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) 'কৰ্পূৰ মঞ্জৰী'ৰ আধাৰত 'কৰ্পূৰ মঞ্জৰী'ৰ ভাষা সম্পৰ্কে আলোচনা কৰা।

(খ) 'ধম্মপদ'ৰ দাৰ্শনিক তাৎপৰ্য আলোচনা কৰা।

(গ) 'শকুন্তলা' নাটকৰ ষষ্ঠ অংকত প্ৰয়োগ কৰা প্ৰাকৃত সম্পৰ্কে লিখা।

(ঘ) 'সন্দেশ ৰাসক' কাব্যখনৰ নামাকৰণৰ সাৰ্থকতা সম্পৰ্কে তোমাৰ মতামত দাঙি ধৰা।

★★★

# 2015

## ASSAMESE

( Major )

Paper : 5.6

**( Bhashar Swarup )**

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। কেৱল উত্তৰটো লিখা : ১×৭=৭

(ক) *Elements of the Science of Language* নামৰ গ্ৰন্থখনৰ প্ৰণেতাজনৰ নাম লিখা।

(খ) 'ভাষা' শব্দটো সংস্কৃতৰ কি ধাতুৰ পৰা সিদ্ধ হৈছে?

(গ) "ভাষা, জাতি আৰু সংস্কৃতিৰ মাজত কোনো স্বাভাৱিক সম্পৰ্ক নাই।" কথাষাৰ সঁচানে?

(ঘ) মহাত্মা গান্ধীয়ে ভাৰতত এটা কৃত্ৰিম ৰাষ্ট্ৰভাষা চলাবলৈ মানস কৰিছিল। এই ভাষাটোক গান্ধীজীয়ে কি নাম দিছিল?

(ঙ) পৃথিৱীৰ সৰ্ববৃহৎ ভাষা-পৰিয়াল হিচাপে পৰিচিত 'ইণ্ডো-ইউৰোপীয়' নামটো কোনে উদ্ভাৱন কৰিছিল ?

(চ) 'বীচ-লা-মাৰ' নামৰ পিজিন (pidgin) পৃথিৱীৰ কোনটো অঞ্চলত চলে ?

(ছ) আধুনিক কালৰ এটা অবৰ্গীকৃত ভাষাৰ নাম লিখা।

২। চমু উত্তৰ লিখা : ২×৪=৮

(ক) বৰ্ণভাষা কাক বোলে ?

(খ) পৰিস্থিতি নিৰ্ধাৰক বিশিষ্ট ভাষা (register) বুলিলে কি বুজা ?

(গ) ক্ৰেওলীয় ভাষা কি ? উদাহৰণসহ বুজাই লিখা।

(ঘ) ভাষাৰ কোন দুটা বৰ্গীকৰণক অধিক বিজ্ঞানসন্মত বুলি মানি লোৱা হয় ?

৩। তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) ৰাষ্ট্ৰভাষা বুলিলে কি বুজা ? হিন্দী আৰু ইংৰাজী—এই দুটাৰ কোনটো ভাষা ভাৰতবৰ্ষৰ ৰাষ্ট্ৰভাষা হোৱাটো অধিক যুক্তিযুক্ত বুলি ভাবা, আলোচনা কৰা।

(খ) ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালৰ আদিম বাসস্থান নিৰ্ণয় কৰা। ভাষাবিজ্ঞানীসকলে এই ভাষা-পৰিয়ালটোৰ উৎপত্তিৰ কাল কি বুলি ঠাৱৰ কৰিছে, লিখা।





(গ) গ্ৰীমৰ ধ্বনি নিয়ম সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা।

(ঘ) চীন-তিব্বতীয় ভাষা-পৰিয়াল সম্পৰ্কে চমুকৈ লিখা।

(ঙ) বিশিষ্ট ধ্বনি পৰিৱৰ্তনৰ পাঁচটা উল্লেখযোগ্য কাৰণ চমুকৈ বিশ্লেষণ কৰা।

৪। (ক) ভাষাৰ বৰ্গীকৰণৰ সকলোবোৰ দিশ সামৰি এটি প্ৰবন্ধ যুগুত কৰা। ১০

*অথবা*

(খ) ভাষাৰ আকৃতিমূলক বৰ্গীকৰণ বুলিলে কি বুজা ? আকৃতিমূলক বৰ্গীকৰণৰ বিভিন্ন শাখাসমূহৰ বিষয়ে আলোচনা কৰা। ৩+৭=১০

৫। (ক) ভাষা-জাতি-সমাজ আৰু সংস্কৃতিৰ পাৰস্পৰিক সম্পৰ্ক বিচাৰ কৰি এটি প্ৰবন্ধ যুগুত কৰা। ১০

*অথবা*

(খ) "কোনো জনসমষ্টিৰ বিষয়ে জানিবলৈ হ'লে তাৰ ভাষা বুজিবই লাগিব। সেই সম্প্ৰদায়ৰ জীৱন-পদ্ধতিৰ বিষয়ে গভীৰভাৱে অন্বেষণ কৰিবলৈ নাইবা তাৰ ঐতিহাসিক তথ্য নিৰূপণ কৰিব খুজিলে আমাৰ প্ৰথমতে প্ৰয়োজন হ'ব সেই জনসমষ্টিৰ ভাষাৰ এটা শৃঙ্খলাবদ্ধ বিৱৰণ।" ভাষাবিদ ব্লুমফিল্ডৰ এই মন্তব্যৰ ভিত্তিত ভাষা-সমাজ আৰু সংস্কৃতিৰ সম্পৰ্ক বিচাৰ কৰা। ১০

৬। (ক) আন্তঃৰাষ্ট্ৰীয় ভাষা বুলিলে কি বুজা? জগতৰ প্ৰধান কৃত্ৰিম আন্তঃৰাষ্ট্ৰীয় ভাষা বুলি বিবেচিত 'এছপিৰেন্টো' ভাষাৰ গঠন প্ৰণালী সম্পৰ্কে আলোচনা কৰা। ১০

*অথবা*

(খ) বিশিষ্ট ধ্বনি পৰিৱৰ্তনৰ তলত দিয়া দিশকেইটাৰ যি কোনো চাৰিটাৰ বিষয়ে চমু টোকা লিখা : $২\frac{১}{২}\times৪=১০$

স্বৰ সমীভৱন; স্বতঃঅনুনাসিকীকৰণ; সমাক্ষৰ-লোপ; স্বৰসঙ্গতি; অপিনিহিতি; স্পুনাৰিজিম; ধ্বনি বিপৰ্যয়।

★★★